**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-12-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া মণিপুৰ ভ্ৰমণসূচীৰে আজি ইম্ফলত উপস্থিত হয়।

২। ৰাজ্য সভাত আজি বন্দে মাতৰমৰ ডেৰশ বছৰীয়া জয়ন্তী সন্দৰ্ভত চলি থকা আলোচনা আগবঢ়াই নিয়া হয়।

৩। কেন্দ্ৰীয় চৰকাৰে বৰ্তমান নতুনকৈ চলি থকা ভুৱা ডিজিটেল গ্ৰেপ্তাৰ প্ৰক্ৰিয়াৰ প্ৰতি সচেতন হৈ থকাৰ বাবে দেশৰ জনসাধাৰণলৈ আহ্বান জনাইছে।

৪। অৰুণাচল প্ৰদেশৰ আনজাও জিলাত হোৱা এটা পথ দুৰ্ঘটনাত অসমৰ ১৪ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হয়।

*আৰু*

৫। চণ্ডীগড়ত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আৰম্ভ।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া মণিপুৰ ভ্ৰমণসূচীৰে আজি ইম্ফলত উপস্থিত হয়। ৰাষ্ট্ৰপতিগৰাকীক বিমান বন্দৰত মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা, মুখ্য সচিব ড০ পুনিত কুমাৰ গোৱেলকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়াই আদৰণি জনায়। শ্ৰীমতী মুৰ্মু বিমান বন্দৰৰ পৰা পোনে পোনে ইম্ফলৰ ৰাজভৱনলৈ যায়। ইয়াৰ পাছত তেওঁ ঐতিহাসিক মাপল কাংজেইবুং পল' খেলপথাৰত পল' খেল উপভোগ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ সন্মানাৰ্থে ইম্ফলৰ চিটী কনভেন্সন চেণ্টাৰত আয়োজন কৰা নাগৰিক অভ্যৰ্থনা অনুষ্ঠানত অংশ লয়। শ্ৰীমতী মুৰ্মুৱে আজি সন্ধিয়া ৰাজভৱনত ৰাজ্যখনৰ গৃহচ্যুত হোৱা লোকসকলক সাক্ষাৎ কৰি তেওঁলোকৰ সৈতে মত বিনিময় কৰিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ ইম্ফলত থকা নুপি লাল স্মাৰক পৰিদৰ্শন কৰাৰ লগতে ব্ৰিটিছ্ শাসনৰ বিৰুদ্ধে ন্যায় বিচাৰী যুঁজ দিয়া মণিপুৰৰ সাহসী মহিলাসকলৰ প্ৰতি সন্মান জনাব। ইয়াৰ পাছত তেওঁ সেনাপতি জিলাত এখন জনসভাত অংশ ল'ব আৰু জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০

ৰাজ্য সভাত আজি বন্দে মাতৰমৰ ডেৰশ বছৰীয়া জয়ন্তী সন্দৰ্ভত চলি থকা আলোচনা আগবঢ়াই নিয়া হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা মঙলবাৰে এই আলোচনাৰ পাতনি মেলিছিল। আলোচনা সামৰি কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডাই কয়, যে বন্দে মাতৰমে দেশৰ আত্মা জনাই তুলি ভাৰতৰ বিভিন্ন সংস্কৃতিৰ মাজত সেঁতু গঢ়ি তোলে। তেওঁ লগতে কয়, যে এই ৰাষ্ট্ৰীয় গীতে দেশৰ প্ৰতিজন ব্যক্তিকে উৎসাহিত কৰি তোলে আৰু দেশক একতাৰ বান্ধোনেৰে বান্ধ খুৱাই ৰখাত সহায় কৰে। শ্ৰী নাড্ডাই কয়, যে বন্দে মাতৰমে দেশৰ স্বাধীনতা সংগ্ৰামৰ বহুবোৰ

ঐতিহাসিক ঘটনাৰ স্বাক্ষৰ বহন কৰি আহিছে। এই গীতে স্বৰাজ আন্দোলনৰ সময়ত স্বাধীনতা সংগ্ৰামীসকলক যথেষ্ট উদ্বুদ্ধ কৰিছিল। বিৰোধী পক্ষৰ অভিযোগ খণ্ডন কৰি শ্ৰী নাড্ডাই কয়, যে বন্দে মাতৰমৰ আলোচনাৰ জৰিয়তে চৰকাৰে পূৰ্বৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবি ম্লান কৰিবলৈ বিচৰা নাই। কিন্তু ১৯৩৭ চনত বিভিন্ন সম্প্ৰদায়ৰ হেঁচাত তেতিয়াৰ প্ৰধানমন্ত্ৰীজনে এই ৰাষ্ট্ৰীয় গীতৰ পংক্তিসমূহত সালসলনি ঘটাবলৈ বাধ্য হৈছিল। তেওঁ লগতে কয়, যে স্বাধীনতাৰ পাছৰ সময়ছোৱাত তেতিয়াৰ চৰকাৰখনে কোনোদিন এই গীতৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা নাছিল। মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে, যে যোৱা দুদিন ধৰি হোৱা আলোচনাত সদনৰ ৮০ জনতকৈও অধিক সদস্যই বন্দে মাতৰমৰ আলোচনাত অংশগ্ৰহণ কৰিছে আৰু এই অংশগ্ৰহণে বিষয়টোৰ প্ৰাসংগিকতাকে সূচিত কৰে। তেওঁ লগতে এই গীতটিৰ জৰিয়তে বৰ্তমানৰ যুৱ প্ৰজন্মৰ অন্তৰত দেশ প্ৰেমৰ ভাব ফুটি উঠাত সহায়ক হ'ব বুলিও উল্লেখ কৰে।

০০০০

কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় চাইবাৰ সমন্বয়ৰক্ষী কেন্দ্ৰৰ বিষয়া হিচাপে চিনাকি দি বৰ্তমান নতুনকৈ চলি থকা এটা ভুৱা ডিজিটেল গ্ৰেপ্তাৰ প্ৰক্ৰিয়াৰ প্ৰতি সচকিত হৈ থাকিবলৈ দেশৰ জনসাধাৰণলৈ আহ্বান জনাইছে। এই ভুৱা গ্ৰেপ্তাৰৰ প্ৰক্ৰিয়া অংশ হিচাপে এখন ভুৱা অভিযোগপূৰ্ণ পত্ৰ প্ৰেৰণেৰে ভীতি প্ৰদৰ্শন কৰি অভিযোগসমূহৰ পৰা পৰিত্ৰাণ পাবৰ বাবে উত্তৰ দিবলৈ বিশেষ ব্যক্তিজনক বাধ্য কৰাৰ এটা ঘটনা পোহৰলৈ আহিছে। প্ৰেছ ইনফৰমেছন ব্যুৰ'ৰ সত্যতা নিৰুপণ শাখাই এই পত্ৰখন ভুৱা বুলি প্ৰমাণ কৰি জানিবলৈ দিয়ে যে, কোনো চৰকাৰী সংস্থাই ই-মেইল অথবা সামাজিক মাধ্যমৰ জৰিয়তে কোনো ব্যক্তিলৈ গ্ৰেপ্তাৰৰ ভীতি প্ৰদৰ্শন নকৰে। সংস্থাটোৱে লগতে এই বুলিও জানিবলৈ দিয়ে, যে এনে ভুৱা সেৱাৰ জৰিয়তে কোনো ব্যক্তিৰ ব্যক্তিগত তথ্য অথবা টকা-পইচা সৰকাবলৈ চেষ্টা চলোৱা হয়। লগতে কেন্দ্ৰীয় চৰকাৰে নাগৰিকসকলক এনে ধৰণৰ ভুৱা বাৰ্তা গুৰুত্বসহকাৰে নলৈ সতৰ্ক হৈ থাকিবলৈও আহ্বান জনায়।

০০০০

দেশৰ ছখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত চলি থকা ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী সন্দৰ্ভত নিৰ্বাচনী আয়োগে সংশোধিত সূচী প্ৰকাশ কৰিছে। এই তালিকাত তামিলনাডু, গুজৰাট, মধ্যপ্ৰদেশ, চত্তিশগড়, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ আৰু উত্তৰ প্ৰদেশক সামৰি লোৱা হৈছে। তামিলনাডু আৰু গুজৰাটত এই প্ৰক্ৰিয়া অহা ১৪ ডিচেম্বৰত সামৰণি পৰিব। একেদৰে মধ্যপ্ৰদেশ, চত্তিশগড় তথা আন্দমান আৰু নিকোবৰ দ্বীপপুঞ্জত অহা ১৮ ডিচেম্বৰলৈ এই প্ৰক্ৰিয়া সমাপ্তিৰ দিন বৃদ্ধি কৰা হৈছে। উত্তৰ প্ৰদেশত অহা ২৬ ডিচেম্বৰ পৰ্যন্ত ইয়াৰ অন্তিম দিন বৃদ্ধি কৰা হৈছে।

সেইদৰে খচৰা ভোটাৰ তালিকাৰ প্ৰকাশ কৰাৰ ক্ষেত্ৰতো সংশোধন কৰা হৈছে। তামিলনাডু আৰু গুজৰাটত অহা ১৯ ডিচেম্বৰত চত্তিশগড়, মধ্যপ্ৰদেশ, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত অহা ২৩ ডিচেম্বৰত এই খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। উত্তৰ প্ৰদেশত এই মাহৰ ৩১ তাৰিখে খচৰা ভোটাৰ তালিকাপ্ৰকাশ কৰা হ'ব।

০০০০

বিজেপিয়ে আজি সংসদৰ শীতকালীন অধিৰেশনৰ সময়ছোৱাত সংসদীয় কামকাজ চলাই নিয়াৰ ক্ষেত্ৰত বিৰোধীয়ে বেমেজালিৰ সৃষ্টি কৰাৰ লগতে অসন্মান প্ৰদৰ্শন কৰা বুলি অভিযোগ উত্থাপন কৰে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ মুখপাত্ৰ শ্বেহজাদ পুনাৱালাই বিৰোধী নেতাসকলৰ লগতে কংগ্ৰেছ

নেতা ৰাহুল গান্ধীয়ে সংসদৰ শীতকালীন অধিৱেশনৰ মাজভাগতে দেশৰ বাহিৰলৈ যোৱা বাবে কঠোৰ সমালোচনা কৰে। বিজেপিৰ মুখপাত্ৰগৰাকীয়ে সংসদৰ ভিতৰত নিৰ্ধাৰিত নিয়ম উলংঘন কৰাৰ বাবে তৃণমূল কংগ্ৰেছৰ এগৰাকী সাংসদৰো তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, যে বিৰোধী নেতাসকলৰ এনে ধৰণৰ আচৰণে সংসদৰ মৰ্যাদা লাঘৱ কৰিছে।

০০০০

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত হোৱা এটা পথ দুৰ্ঘটনাত অসমৰ ১৪ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হয়। সংবাদ মাধ্যমসমূহে আজি ইটানগৰত প্ৰকাশ কৰা মতে পাহাৰীয়া অঞ্চলৰ পৰা শ্ৰমিক কঢ়িয়াই অনা এখন ডাম্পাৰ ৰাজ্যখনৰ হায়ুলিয়াং-ছাগ্লাগাম পথত নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। প্ৰাৰম্ভিক তথ্য অনুসৰি বাহনখনত অসমৰ কমেও ২১ গৰাকী শ্ৰমিক আছিল। ঘটনাৰ পাছতেই স্থানীয় প্ৰশাসন আৰু এন ডি আৰ এফে শ্ৰমিকসকলক উদ্ধাৰৰ বাবে অভিযান অব্যাহত ৰাখিছে। উদ্ধাৰকাৰী দলে অসম আৰক্ষীৰ সৈতে এই অভিযানত সহায়ৰ বাবে যোগাযোগ ৰক্ষা কৰি আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অৰুণাচল প্ৰদেশত সংঘটিত এই শোকাৱহ পথ দুৰ্ঘটনাত অসমৰ শ্ৰমিকৰ প্ৰাণহানিৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকাৰ লগতে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াইছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

০০০০

যোৱা ৩, ৪ আৰু ৫ ডিচেম্বৰত ইণ্ডিগ'ৰ বিমান পৰিবহন পৰিচালনাৰ ক্ষেত্ৰত দেখা দিয়া বেমেজালিৰ ফলত ক্ষতিগ্ৰস্ত যাত্ৰীসকলক ১০ হাজাৰ টকাৰ ক্ষতিপূৰণ দিয়াৰ কথা ইণ্ডিগ'ৱে ঘোষণা কৰিছে। ইণ্ডিগ' কৰ্তৃপক্ষই জনোৱা মতে এই ক্ষতিপূৰণৰ ধন ভ্ৰমণ বিলৰ সৈতে সন্নিৱিষ্ট থাকিব, যাতে অহা ১২ মাহৰ ভিতৰত যাত্ৰীসকলে ইণ্ডিগ'ৰ যাত্ৰাৰ সময়ত এয়া ব্যৱহাৰ কৰিব পাৰিব। বিমান সংস্থাটোৱে লগতে কয়, যে চৰকাৰী নিৰ্দেশনা অনুযায়ী উপযুক্ত ক্ষতিপূৰণ দিয়াৰ উপৰি ইণ্ডিগ'ৱে ২৪ ঘণ্টাৰ ভিতৰত বিমান সেৱাৰ ব্যাঘাতৰ ফলত যাত্ৰা বাতিল কৰিবলগীয়া হোৱা যাত্ৰীসকলক পাঁচৰ পৰা ছহেজাৰ টকালৈ ক্ষতিপূৰণ প্ৰদান কৰিব।

০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি নিউ চণ্ডীগড়ৰ মুল্লানপুৰত থকা মহাৰাজা যাড়াবিন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত আৰম্ভ হৈছে। ভাৰতে টছত জিকি দক্ষিণ আফ্ৰিকাক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনাইছে। বাতৰি যুগুতোৱাৰ পৰলৈকে দক্ষিণ আফ্ৰিকাক দুই অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ১০ ৰান সংগ্ৰহ কৰিছে।

ভাৰতে সম্প্ৰতি শৃংখলাটোত ১-০ৰ অগ্ৰগতি লাভ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ